समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

বিজ্ঞান

অধ্যায়-১৬

প্ৰাকৃতিক সম্পদৰ ব্যৱস্থাপনা

অংশ – ৩

ৰাষ্ট্ৰীয় বঁটা আৰু চিপকো আন্দোলন

জাহ্নৱী দাস

বন্যপ্ৰাণী সংৰক্ষণৰ বাবে ৰাষ্ট্ৰীয় বঁটা

- শেহতীয়াকৈ ভাৰত চৰকাৰে অমৃতা দেৱীৰ স্মৃতিত বন্যপ্ৰাণী সংৰক্ষণৰ বাবে ‘অমৃতা দেৱী বিষ্ণোই ৰাষ্ট্ৰীয় বঁটা’ৰ আয়োজন কৰিছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

☛ যিয়ে 1731 চনত ৰাজস্থানৰ যোধপুৰৰ সমীপৰ খেজৰালি গাঁৱৰ 'খেজৰি গছ' সুৰক্ষাৰ বাবে আন 363 জনৰ সৈতে নিজৰ প্ৰাণ আহুতি দিছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

চিপকো আন্দোলন



- মানুহৰ বনাঞ্চলৰ পৰা বিচ্ছিন্নতা শেষ কৰাৰ বাবে তৃণমূল পর্যায়ৰ প্রচেষ্টাৰ ফল আছিল চিপকো আন্দোলন (বৃক্ষ আন্দোলন)।
- গাৰোৱাল ৰেনি নামৰ এখন দুর্গম গাঁৱৰ এক ঘটনাৰ পৰাই এই আন্দোলনৰ উৎপত্তি হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- গাঁৱৰ ওচৰৰ হাবিত গছ কাটিবলৈ দিয়া কাঠ কটা ঠিকাদাৰ আৰু গাওঁবাসীৰ মাজত বিবাদৰ সৃষ্টি হৈছিল।
- এটা বিশেষ দিনত ঠিকাদাৰৰ শ্ৰমিকসকলে গছ কাটিবলৈ হাবিত উপস্থিত হৈছিল আৰু পুৰুষ লোকসকল অনুপস্থিত আছিল।

- গাঁৱৰ মহিলাসকলে খৰধৰকৈ হাবিত উপস্থিত হৈ গছৰ ডালবোৰ সাবতি ধৰিলে যাৰ ফলত শ্ৰমিকসকলে গছ কাটিব নোৱাৰিলে।
- ঠিকাদাৰ আৰু বনুৱা সকল ঘুৰি যাব লগা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

☛ চিপকো আন্দোলনে দ্রুতগতিত সম্প্রদায় আৰু সংবাদ মাধ্যমৰ মাজত বিয়পি পৰিল আৰু বনাঞ্চলখন যাৰ অন্তর্গত চৰকাৰক বনজ উৎপাদিত সামগ্রীৰ ব্যৱহাৰৰ ক্ষেত্রত নিজৰ অগ্রাধিকাৰৰ বিষয়ে পুনৰ চিন্তা কৰিবলৈ বাধ্য কৰালে।

বনাঞ্চল ব্যৱস্থাপনাত মানুহৰ অংশগ্ৰহণৰ উদাহৰণ :



- 1972 চনত পশ্চিমবংগ বন বিভাগে ৰাজ্যখনৰ দক্ষিণ-পশ্চিম জিলাসমূহৰ অৱক্ষয়ী শালগছৰ বনাঞ্চল পুনৰুজ্জীৱিত কৰাৰ ক্ষেত্ৰত নিজৰ ব্যৰ্থতাক স্বীকাৰ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- পৰম্পৰাগত তদাৰক আৰু পৰিচালন ব্যৱস্থাই স্থানীয় লোকক প্ৰশাসনৰ পৰা সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰিছিল, যাৰ ফলত বন বিষয়া আৰু গাঁৱৰ মানুহৰ মাজত সঘনাই সংঘৰ্ষ হৈছিল।
- বিভাগে নিজৰ কৌশল সলনি কৰি মিদনাপুৰ জিলাৰ আৰবাৰী বনাঞ্চলত আৰম্ভণি কৰিলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

☛ এজন বন বিষয়াৰ জোৰত এ. কে. বেনার্জী, গাঁওবাসীয়ে 1.272 হেক্টৰ বেয়াকৈ অৱক্ষয় হোৱা শাল বনাঞ্চলৰ সুৰক্ষাৰ কামত জড়িত হৈ পৰিছিল।



☛ সুৰক্ষাৰ ক্ষেত্ৰত সহায়ৰ বিনিময়ত গাঁৱৰ লোকসকলক বন খেতি আৰু চপোৱা দুয়োটা কামতে কর্মসংস্থাপন দিয়া হৈছিল, চপোৱা সম্পদৰ 25 শতাংশ, আৰু নামমাত্ৰ মাচুল দি ইন্ধন কাঠ আৰু খাদ্য সংগ্ৰহৰ অনুমতি দিয়া হৈছিল।



☛ স্থানীয় জনগোষ্ঠীৰ সক্ৰিয় আৰু ইচ্ছাকৃত অংশগ্ৰহণেৰে আৰবাৰীৰ শাল বনাঞ্চলসমূহে এক উল্লেখযোগ্য পুনৰুদ্ধাৰ লাভ কৰে – 1983 চনলৈকে পূৰ্বতে মূল্যহীন এখন অৰণ্যৰ মূল্য 12.5 কোটি টকা হ'ল।

মূল্যায়ন



1 | বিষ্ণোই আন্দোলন তলৰ কোনবিধ গছৰ লগত জড়িত-

ক শাল

খ খেজৰি

গ চেগুন

ঘ হলং

মূল্যায়ন



2 চিপকো আন্দোলনৰ সূত্রপাত হৈছিল -

ক 1969

খ 1970

গ 1971

ঘ 1972